**Assamese Department, Nonoi College**
**Freshman Social/2018**

## ননৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগত নৱাগত আদৰণী সভা
**৩০ আগষ্ট, ২০১৮**

নগাঁও জিলাৰ ননৈ মহাবিদ্যালয়ত ৩০ আগষ্ট, ২০১৮ তাৰিখে দিনজোৰা কাৰ্যসূচীৰে অসমীয়া বিভাগৰ নৱাগত আদৰণী সভাখন অনুষ্ঠিত হয়। ভাৰতৰ ভূতপূৰ্ব প্ৰধান মন্ত্ৰী সদ্য প্ৰয়াত অটল বিহাৰী বাজপেয়ী আৰু বিশিষ্ট অভিনেতা প্ৰয়াত গুণ মহন্তৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপনেৰে আৰম্ভ হোৱা নৱাগত আদৰণী সভাত 'অনুশীলন' শীৰ্ষক বিভাগীয় প্ৰাচীৰ পত্ৰিকাখনি উন্মোচন কৰি মহাবিদ্যালয়খনৰ অৰ্থনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড০ দিগন্ত বৰাই অসমীয়া বিভাগৰ বৌদ্ধক কৰ্ষণৰ সু-প্ৰচেষ্টাক শলাগ লয় । অসমীয়া বিভাগত নতুনকৈ গঠন হোৱা "অসমীয়া সাহিত্য চ'ৰা"ৰ উদ্যোগত অনুষ্ঠিত আদৰণী সভাৰ প্ৰাৰম্ভণিতে বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে সমবেত সংগীত পৰিৱেশন কৰি সকলোকে মুগ্ধ কৰে । অসমীয়া বিভাগৰ মুৰব্বী তথা ননৈ মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ৰীতা শৰ্মাৰ সভাপতিত্বত পৰিচালিত হোৱা সভাত বিশিষ্ট অতিথি ৰূপে অংশগ্ৰহণ কৰি নগাঁও মহাবিদ্যালয়ৰ অধ্যাপক অচ্যুতপ্ৰবৰ শৰ্মাই নৱাগতসকলক উদ্দেশ্যি বক্তব্য প্ৰদান কৰে । প্ৰসংগ ক্ৰমে তেওঁ কয়-'জাতীয় চিন্তা-চেতনা আৰু ভাষিক প্ৰমূল্যবোধ বৰ্তাই ৰাখিবলৈ অসমীয়া ভাষা শিক্ষা অতি জৰুৰী।' নৱাগত আদৰণী সভাৰ লগত সংগতি ৰাখি আয়োজন কৰা সাংস্কৃতিক কাৰ্যক্ৰমত অতিথি শিক্ষয়িত্ৰী প্ৰিয়াংকী বৰাই গীতৰ শৰাই আগবঢ়োৱাৰ পাছতে ছাত্ৰ-ছাত্ৰীসকলে গীত-নৃত্য-কবিতা পাঠেৰে অনুষ্ঠানটি জীপাল কৰি তোলে । অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড০ বসন্ত বৰাই আঁত ধৰা সভাখনত বিভাগৰ সহকাৰী অধ্যাপিকা ৰুণু দেৱী, অতিথি সহকাৰী অধ্যাপিকা অঞ্জুমণি বৰা প্ৰমুখ্যে ননৈ মহাবিদ্যালয়ৰ বহু কেইগৰাকী অধ্যাপক-অধ্যাপিকা উপস্থিত থাকে ।

# Assamese Department, Nonoi College.

**Freshman Social / 30th August, 2018**

## Photographs:



:আদৰণি পত্ৰ:
নৱাগত আদৰণি সভা
অসমীয়া সাহিত্য চ'ৰা
অসমীয়া বিভাগ




**Felicitation Letter & Tribute to Late Atalbihari Bajpeyi & Guna Mahanta**




**Meeting of Freshman Social**